**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-08-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগে কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ভিডিঅ' কনফাৰেঞ্চিং মাধ্যমেৰে গ্ৰামীণ জ্ঞান সেতু এপ মুকলি কৰে।

৩। অসমৰ সাম্প্ৰতিক বানত ১০৪ জন লোকৰ প্ৰাণহানি হৈছে।

৪। সংসদৰ উভয় সদনে কালি বৈদেশিক বৰঙণি নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক ২০২৬ৰ অধিক পৰীক্ষা-নিৰীক্ষাৰ বাবে যুটীয়া সংসদীয় কমিটিলৈ প্ৰেৰণত অনুমোদন জনাইছে। *আৰু*

৫। যক্ষ্মামুক্ত ভাৰত গঢ় দিয়াৰ কাৰ্যসূচীৰ অংশ হিচাপে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই ঝাৰখণ্ড আৰু ওড়িশাৰ সাংসদসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০

ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগে কালি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰে। ৰাষ্ট্ৰপতিয়ে প্ৰতিবেদন গ্ৰহণ কৰি আয়োগক অনুসূচিত জাতিসমূহৰ বাবে সাংবিধানিক সুৰক্ষা আৰু কল্যাণমূলক ব্যৱস্থাসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে বৰ্তমানৰ ব্যৱস্থাসমূহ শক্তিশালী আৰু সুশৃংখলিত কৰাৰ লক্ষ্যৰে ব্যৱস্থাসমূহ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই প্ৰতিবেদনত অনুসূচিত জাতিসমূহৰ বাবে সাংবিধানিক বিধানসমূহৰ কাৰ্য্যক্ষমতাৰ সৰ্বাত্মক পৰ্যালোচনা দাঙি ধৰা হৈছে। প্ৰতিবেদনত বিস্তৃত পৰ্যালোচনা,সংশ্লিষ্ট স্থান ভ্ৰমণ আৰু অনুসূচিত জাতিৰ বাবে কল্যাণমূলক আঁচনি তথা আৰ্থ-সামাজিক বিকাশ কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ পৰামৰ্শৰ মূল তথ্যসমূহৰ ৰূপৰেখা দাঙি ধৰা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদকে ধৰি সাংসদসকলে সদনত উত্থাপন কৰা যিকোনো বিষয়ত আলোচনাৰ অন্তত আজি বিয়লি ৩ বজাত উত্তৰ দিব বুলি প্ৰকাশ কৰিছে। কালি সংসদ ভৱনৰ চৌহদত শ্ৰীশ্বাহে সাংবাদিকৰ আগত এইবিষয়ে প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয়, যে চৰকাৰৰ কোনো কথা লুকুৱাবলগীয়া নাই আৰু আলোচনাৰ বাবে সম্পূৰ্ণ সাজু। তেওঁ কয়, যে আলোচনা আৰম্ভ হ'লে তেওঁ সদনত উপস্থিত থাকি মন্ত্ৰীগৰাকীৰ সদস্যৰ বক্তব্য শুনিব।

**বাইট (অমিত শ্বাহ)**

শ্ৰীশ্বাহে কয়, যে নীটৰ বিষয়ক লৈ শিক্ষাৰ্থীৰ প্ৰতিবাদ সম্পৰ্কীয় প্ৰতিটো বিষয় আলোচনা কৰিবলৈ চৰকাৰ প্ৰস্তুত বুলি ইতিমধ্যে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে বিৰোধী পক্ষই সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰিবলৈ নিদিয়া বুলি অভিযোগ তোলে। তেওঁ কয়, যে এনেধৰণৰ এটা গুৰুত্বপূৰ্ণ বিষয়ত সংসদৰ কাৰ্যপন্থা অনুসৰি আলোচনা অনুষ্ঠিত হোৱা উচিত।

ooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কালি ভিডিঅ' কনফাৰেন্সিং মাধ্যমেৰে গ্ৰামীণ জ্ঞান সেতু এপ মুকলি কৰে। গুজৰাটৰ গান্ধীনগৰৰ সমগ্ৰ লোকসভা সমষ্টিৰ পুথি ভঁৰালসমূহক একত্ৰিত কৰিবলৈ এই এপটো উন্নীত কৰা হৈছে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীশ্বাহে কয়, যে ৰাষ্ট্ৰীয় পুথিভঁৰাল দিৱস হিচাপে উদযাপিত পদ্মশ্ৰী সন্মানেৰে সন্মানিত এছ আৰ ৰংগনাথনৰ জয়ন্তী উপলক্ষে এই এপটো মুকলি কৰা হৈছে। তেওঁ কয়, যে শিশুসকলক পঢ়া আৰু শিকনৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতিখন গাঁও বিশেষকৈ বিদ্যালয়সমূহৰ কাষত একোটাকৈ পুথিভঁৰাল স্থাপন কৰাই ইয়াৰ প্ৰধান উদ্দেশ্য। শ্ৰীশ্বাহে কয়, যে ইতিমধ্যে প্ৰায় ৬৩টা গ্ৰাম্য পুথিভঁৰাল স্থাপন কৰা হৈছে আৰু ৭৫২টা পুথিভঁৰালক এতিয়া এই এপৰ জৰিয়তে সংযোগ কৰা হৈছে। তেওঁ কয়, যে চাৰিটা পুথিভঁৰালত থকা প্ৰায় ২ লাখ ৮০ হাজাৰ গ্ৰন্থক গ্ৰাম্য পুথিভঁৰালৰ সৈতে সংযুক্ত কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে এই উদ্যমে গ্ৰামাঞ্চলৰ শিশুসকলক গ্ৰন্থৰ বৃহৎ সংগ্ৰহৰ সুবিধা প্ৰদান কৰিব।

ooooo

অসমৰ বান পৰিস্থিতি সম্প্ৰতি সুস্থিৰ যদিও ৭ খন জিলাৰ বহু অঞ্চল এতিয়াও বান প্ৰভাৱিত হৈ আছে। সাম্প্ৰতিক বানত ৪৩৩ খন গাঁৱৰ ৮৬ হাজাৰ ৮৩২ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ১০ হাজাৰ ৮৮৪ দশমিক ২-৭ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১০৪ হৈছেগৈ।

অসম চৰকাৰে শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বানত ক্ষতিগ্ৰস্ত ৪৯৪টা অংগনবাড়ী কেন্দ্ৰলৈ কালি আনুষ্ঠানিকভাৱে আৰ্থিক সাহায্য প্ৰদান কৰে। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এটা অনুষ্ঠানৰ পৰা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সাহায্য মুকলি কৰে। প্ৰতিটো অংগনবাড়ী কেন্দ্ৰলৈ আঢ়ৈ লাখ টকা পৰ্যন্ত সাহায্যৰে কেন্দ্ৰসমূহ পুনৰ স্বাভাৱিক ৰূপত গঢ়ি তোলাৰ বাবে মুঠ ১১ কোটি ৩০ লাখ টকাৰ পুঁজি আগবঢ়োৱা হৈছে।

ৰাজ্যৰ শেহতীয়া বানৰ ক্ষয়-ক্ষতিৰ বাবদ এতিয়ালৈকে বিভিন্ন শিতানত মোকলাই দিয়া ধনৰাশিৰ বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে ইতিমধ্যে ৭৯৩খন বিদ্যালয়ক মেৰামতিৰ বাবে ২ লাখ টকাকৈ আগবঢ়োৱা হৈছে আৰু সম্প্ৰতি ৯০ শতাংশ বিদ্যালয়ত পুনৰ পাঠদান আৰম্ভ হৈছে। উজনি অসমৰ চাৰিখন জিলাৰ ২৫৪ খন বিদ্যালয়ত ১৭ আগষ্টৰ পৰাহে পাঠদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে বান প্ৰভাৱিত জিলাসমূহৰ ক্ষতিগ্ৰস্ত নামঘৰসমূহলৈ অহা ২০ আগষ্টৰ পূৰ্বে ডেৰ লাখ টকাকৈ অনুদান মুকলি কৰা হ'ব বুলি জানিবলৈ দিয়ে। ড০ শৰ্মাই বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, যোৰহাট, চৰাইদেউ আৰু গোলাঘাটৰ জনসাধাৰণক বাহনৰ বীমা আৰু বেংকৰ ঋণ সম্পৰ্কীয় বিষয়ক লৈ আবেদন ৩০ আগষ্টৰ পূৰ্বে দাখিল কৰিবলৈ আহ্বান জনায়।

ooooo

১৮ৰ পৰা ২০ জুলাইলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ পূৰ্বে আৰু বৰষুণৰ সময়চোৱাত উজনি অসমৰ যোৰহাট, গোলাঘাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আগতীয়া

পূৰ্বানুমান আৰু বিপদাংশকা সন্দৰ্ভত বিভিন্ন ৰঙৰ সতৰ্কতা প্ৰকাশ কৰিছিল বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। লোকসভাত কালি এটা প্ৰশ্নৰ লিখিত উত্তৰত ধৰিত্ৰী বিজ্ঞান দপ্তৰৰ মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কয়, যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ বাবে প্ৰকাশ কৰা পূৰ্বানুমান হিচাপে সাতদিন পূৰ্বে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি সতৰ্ক কৰি দিছিল আৰু পৰৱৰ্তী সাতদিনত দৈনিক সতৰ্কতা জাৰি কৰিছিল। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ নীতি নিৰ্দেশনা অনুসৰি বৰষুণৰ শ্ৰেণীকৰণৰ মানক নিয়ম অনুসৰণ কৰা হৈছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে বিভাগটোৱে অসমৰ সকলো অঞ্চলত বৰষুণৰ পূৰ্বানুমান আৰু সতৰ্কতাৰ সঠিকতা আৰু সময়সীমাৰ নিয়মীয়া মূল্যায়ণ কৰি আহিছে।

০০০০০

সংসদৰ উভয় সদনে কালি বৈদেশিক বৰঙণি নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক ২০২৬ৰ অধিক পৰীক্ষা-নিৰীক্ষাৰ বাবে যুঁটীয়া সংসদীয় কমিটিলৈ প্ৰেৰণ কৰাৰ বাবে অনুমোদন দিছে। এই বিধেয়কখনৰ উদ্দেশ্য হৈছে বৈদেশিক বৰঙণি নিয়ন্ত্ৰণ আইন ২০১০ৰ সংশোধন কৰা। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে এই বিধেয়কখন অধিক আলোচনাৰ বাবে উভয় সদনৰ সদস্যৰে গঠিত যুটীয়া সংসদীয় কমিটিলৈ প্ৰেৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে। এই কমিটিখনত লোকসভাৰ পৰা অধ্যক্ষই মনোনীত কৰা ২১ জন সদস্য, ৰাজ্যসভাৰ পৰা সভাপতিয়ে মনোনীত কৰা ১০ জন সদস্য থাকিব। এই সমিতিখনে সংসদৰ শীলকালীন অধিৱেশনৰ প্ৰথম সপ্তাহৰ অন্তিম দিনাৰ পূৰ্বে প্ৰতিবেদন দাখিল কৰিব। ৰাজ্যসভাই কালি যুঁটীয়া সংসদীয় কমিটিলৈ ১০ জন সদস্য মনোনীত কৰাৰ বাবে প্ৰস্তাৱত অনুমতি জনায়।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ- চি বি এছ ইয়ে চলিত বৰ্ষৰ দ্বাদশ শ্ৰেণীৰ পৰিপূৰক পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে ডিজি ল'কাৰ ৰিজাল্টছ প'ৰ্টেলৰ জৰিয়তে results.digilocker.gov.in.-ত ফলাফলসমূহ চাব পাৰিব।

০০০০০

যক্ষ্মামুক্ত ভাৰত গঢ় দিয়াৰ বাবে সাংসদসকলৰ সৈতে যোগাযোগ স্থাপন কাৰ্যসূচীৰ অংশ হিচাপে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কালি ঝাৰখণ্ড আৰু ওড়িশাৰ সাংসদসকলৰ সৈতে মত বিনিময় কৰে। সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ সময়তে আয়োজিত এই কাৰ্যসূচীত দিয়া ভাষণত শ্ৰী নাড্ডাই যক্ষ্মা মুক্ত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত স্থায়ী ৰাজনৈতিক আৰু প্ৰশাসনিক সংযোগৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ উদ্ভাৱনীমূলক ৰোগী চিনাক্তকৰণ কৌশল, আগতীয়াকৈ ৰোগ নিৰ্ণয়, ৰোগীকেন্দ্ৰিক যত্ন আৰু সামূহিক অংশগ্ৰহণক ভাৰতৰ ত্বৰান্বিত যক্ষ্মা নিৰ্মূল কৌশলৰ গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে অভিহিত কৰে। তেওঁ সাংসদসকলক জিলা প্ৰশাসনৰ মুৰব্বী আৰু স্বাস্থ্য সুবিধাসমূহৰ সৈতে জড়িত হৈ,যক্ষ্মা ৰোগৰ চিকিৎসা সেৱাৰ উপলব্ধতা আৰু মান পৰ্যালোচনাৰ দ্বাৰা আগতীয়াকৈ ৰোগ নিৰ্ণয় আৰু চিকিৎসাৰ বাবে সৰ্বাত্মক প্ৰচেষ্টাৰে নিজ নিজ সমষ্টিত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে যক্ষ্মা নিৰ্মূলক এটা স্থায়ী গণ আন্দোলন কৰি তুলিবলৈ জনসাধাৰণৰ সংযোগ আৰু সামাজিক সংগঠনৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এই পাৰস্পৰিক মত বিনিময় কালত সদ্য সমাপ্ত ১০০ দিনীয়া যক্ষ্মা মুক্ত ভাৰত অভিযানৰ অধীনত লাভ কৰা অগ্ৰগতি পৰ্যালোচনা কৰা হয়।

০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীৰ অধ্যক্ষতাত কালি মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীযোশীয়ে কয়, যে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ পৰা ২০৩০-৩১ বিত্তীয় বৰ্ষলৈ **ৰাষ্ট্ৰীয় সাহায্য তথা মেধা বৃত্তি** আঁচনি অব্যাহত ৰখাৰ প্ৰস্তাৱ সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে এই বৈঠকৰ আয়োজন কৰা হয়। বৈঠকত আঁচনিখনৰ প্ৰধান দিশসমূহৰ লগতে সমগ্ৰ দেশৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে ইয়াৰ সঠিক ৰূপায়ণ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

০০০০০০০০০

বস্ত্ৰ মন্ত্ৰালয়ে দেশৰ তাঁত শিল্পৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত মহিলাসকলৰ অনুপ্ৰেৰণামূলক যাত্ৰা, তেওঁলোকৰ কণ্ঠ আৰু অৱদানক স্বীকৃতি প্ৰদান কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীত **সৃজনঃ ভইচেছ ফ্ৰম দা লুম** শীৰ্ষক বিশেষ সভাৰ আয়োজন কৰিছে। এই অনুষ্ঠানত বস্ত্ৰ মন্ত্ৰালয়ৰ সচিব নীলম শ্বামী ৰাওৱে অংশগ্ৰহণ কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি অনুষ্ঠানত ১০০ৰো অধিক মহিলা বয়ন শিল্পীয়ে তেওঁলোকৰ বিভিন্ন অভিজ্ঞতা আৰু যাত্ৰাৰ বিষয়ে অৱগত কৰিব।

০০০০০

সমাপ্ত